# বিজ্ঞান আৰু অন্ধবিশ্বাস

জ্যোৎস্না দাস, বিজ্ঞান শিক্ষক

বৰ্তমান সময়ৰ আটাইতকৈ দুখলগা বিষয় এটা হৈছে মানুহৰ অসুস্থ মানসিকতা। সময়ৰ অগ্ৰগতিৰ লগে লগে, সাক্ষৰতাৰ হাৰ বৃদ্ধি পাইছে যদিও মানুহৰ মানসিকতা ক্ৰমান্বয়ে দ্ৰুত ভাবে নিম্নগামী হবহে ধৰিছে। কিতাপৰ শিক্ষাই যেন মানুহৰ বাস্তৱ জীৱনত কোনো সু প্ৰভাৱ পেলাব পৰা নাই। মানুহৰ আসুৰিক চিন্তা চৰ্চাৰ যেন কোনো পৰিবৰ্তন হোৱা নাই, মানুহ এতিয়াও বৰ্বৰ হৈয়ে আছে।

বিজ্ঞানে মানব সভ্যতাক কোনো কোনো দিশত উচ্চ শিখৰত উপনীত কৰাইছে যদিও সামাজিক প্ৰেক্ষাপটত মানুহ যেন থমকি ৰৈছে। অতি পৰিতাপৰ কথা, এতিয়াও আমাৰ সমাজত প্ৰায় আশী শতাংশ মানুহৰ মনত বিজ্ঞান মানসিকতাই থিতাপি লোৱা নাই, অন্ধবিশ্বাসৰ কৰাল গ্ৰাসতেই সোমাই আছে। প্ৰচলিত নীতি-নিয়ম , সমাজ ব্যৱস্থা আদিকেই মানি সমাজত অসুয়া ,অশান্তি বৃদ্ধি কৰিছে। অশিক্ষিত মানুহৰ কথাটো বাদেই শিক্ষিত তথা সমাজৰ মুখা পিন্ধা ব্যক্তি সকলেহে সমাজখনত আন এক বিশৃংখল পৰিবেশৰ গঢ় দিছে। বেছিভাগ শিক্ষিত ডাক্তৰ, ইঞ্জিনিয়াৰ শ্ৰেণীটোৱেহে সমাজখনক অন্ধবিশ্বাসী হোৱাত অৰিহনা যোগাইছে। তেওঁলোকে পাৰিলে দহো আঙুলিতে গ্ৰহৰত্নৰ আঙঠি পিন্ধিছে। মন্দিৰে মন্দিৰে পূজা অৰ্চনা আগবঢ়াইছে (হয়তো অতিৰিক্ত ভাৱে আৰ্জিত ধনৰ পাপ খণ্ডন কৰিবলৈ)। স্বয়ং শিক্ষা-স্বাস্থ্য মন্ত্ৰীয়েও ৰাজ্যৰ মানুহৰ সুখ সমৃদ্ধিৰ বাবে নদী পূজাৰে আৰম্ভ কৰি বছৰি টকাৰ শৰাধ পাতি বেছিভাগ গাওঁ অঞ্চলৰ মহিলাই নদীক গাখীৰ কল দি পূজা কৰিয়েই আছে,মহাদেৱৰ থানত গৈ শিৱলিঙ্গত গাখীৰ ঢালিয়েই আছে।নি:সন্তান শিক্ষিত দম্পতীয়ে বেজৰ বেজালিক মানি লৈ জীৱনৰ অমূল্য সময়ৰ লগতে শৰীৰটোও ঘূণীয়া কৰিছে।

আজি একৈশ শতিকাত বিজ্ঞানে মহাকাশত বসতি স্থাপনৰ পিছতো,চন্দ্ৰযান, মঙ্গল যান উৎক্ষেপণৰ পিছতো এতিয়াও প্ৰতি বছৰে ধৰ্মৰ নামত নিষ্প্ৰাণ দূৰ্গা প্ৰতিমাৰ আগত বলি-বিধান চলিয়েই আছে। কিন্তু আহে জানো কোনো দেৱ-দেৱী এই মৰ্ত্যলৈ প্ৰাণীৰ তেজ পিবলৈ? এয়া কেৱল অৰ্থলিপ্সু, ক্ষমতাশালী, মুখা পিন্ধা ভদ্ৰ মানুহৰ জীঘাংসু মনোকামনাহে নিশ্চয় অথবা অৰ্ধশিক্ষিত মানুহৰ অজ্ঞানতা বা বুৰ্বকামি। নহলে জানো সাধাৰণ ভাবে কাম কৰি জীৱন নিৰ্বাহ কৰা কোনো বাপেকে সপোনক বাস্তবায়িত কৰিবলৈ গৈ নিজৰ কনমানি সন্তানক ফুৰাবলৈ নি নদীত দলিয়াই দিয়ে; বিজ্ঞানৰ শিক্ষক এজনে জানো পৰিয়ালৰ সৈতে নাঙঠ হৈ পূজা- অৰ্চনা কৰিব পাৰে? প্ৰতিদিনে অজস্ৰ এন ধৰণৰ

ঘটনা হ’ ব ধৰিছে। ভাবিলে দুখ লাগে , চিন্তিত হওঁ, এইবোৰ হ্ৰাস হোৱাৰ বিপৰীতে কিয় বৃদ্ধি হৈ গৈ আছে? কিয় আগৰ তুলনাত মানুহৰ সাক্ষৰতাৰ হাৰ বৃদ্ধিৰ পিছতো, বিজ্ঞানৰ অভূতপূৰ্ব অগ্ৰগতি হোৱা সত্বেও মানুহৰ মানসিকতাৰ সলনি হোৱা নাই, মানৱতা বিকৃত হৈহে গৈ আছে, অসহিষ্ণুতা বৃদ্ধি পাইছে? বিজ্ঞানে কেৱল মানুহৰ জীৱন ধাৰাৰ হে সলনি কৰিছে, জীৱনটোক যান্ত্ৰিকতা দিছে ; কিন্তু মানসিকতা, মানবীয়তাৰ উত্তৰণ ঘটাব পৰা নাই। কিয় বাৰু?

এবৈকশ শতিকাতো বিজ্ঞানৰ ন, ন উদ্ভাৱন, বৈপ্লৱিক উত্তৰণৰ পিছতো বিজ্ঞান যেন কোনোবা খিনিত থমকি ৰৈছে, মানুহৰ মানসিকতাত যুক্তিৰ অন্বেষণ ঘটাব পৰা নাই। মানুহ যেন অন্ধবিশ্বাস, কুসংস্কাৰৰ মকৰা জালতহে লাগি ধৰিছে। সাধাৰণ জনতাই অন্ধবিশ্বাসৰ পৰা মুক্ত হব পৰা নাই, মনত সৰলতা নাই, যুক্তিবাদী চিন্তাধাৰা জাগ্ৰত হোৱা নাই। আৰু অশিক্ষিত শ্ৰেণীৰ দুৰ্বলতাক, অন্ধবিশ্বাসক অৰ্ধশিক্ষিত ,শাসক শ্ৰেণীটোৱে সাৰ পানী দি প্ৰতিপালন কৰিহে আছে। নহ’ লে জানো অসমৰ দৰে দুখীয়া ৰাজ্যত নমামী ব্ৰহ্মপুত্ৰ, যাগ-যজ্ঞ,দেৱী মাৰ নামত ম’ হ বলি আদিৰ দৰে পৰ্বৰ নামত লাখ লাখ টকাৰ শৰাধ হয়। নহলে জানো পূজা ,বিহুৰ নামত ডেকা ল’ ৰা বোৰে মদ পানী খাই নিবনুৱাৰ লেবেল লগাই অধ:পতনে যায়।

এইবোৰ দেখি-শুনি ভাব হয়, যেনেকৈয়ে নহওঁক বিজ্ঞানক জনকল্যাণমুখী কৰি তুলিবলৈ মানুহৰ মনত বৈজ্ঞানিক মানসিকতা গঢ়ি তুলিব লাগিব আৰু অন্ধবিশ্বাসবোৰ গুৰিতেই আতৰোৱাৰ ব্যৱস্থা কৰিব লাগিব। তাৰবাবে মানুহে কেৱল আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰে শিক্ষিত হলেই নহব জ্ঞানী আৰু যুক্তিবাদীও হব লাগিব ।তেহে মানুহৰ মনৰ পৰা অন্ধবিশ্বাস আতৰি বৈজ্ঞানিক মানসিকতাই গঢ় লব, পৃথিৱী খন সুন্দৰ হব।